**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-01-2025
**Time :** 1205 Hrs

***Assamese Midday Bulletin***
**--------------------**

জাপান ভ্ৰমণৰত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি দেশখনৰ ন্যায় বিভাগৰ ৰাজ্যমন্ত্ৰী কোমুৰা মাছাহিৰোক সাক্ষাৎ কৰি জাপানৰ কোম্পানীসমূহক অসমত বিনিয়োগৰ বাবে সূচল পৰিবেশ সৃষ্টিৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ বিষয়ে জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰীয়ে জাপানৰ মন্ত্ৰীগৰাকীক অসম চৰকাৰে দেশখনৰ কোম্পানীসমূহৰ বাবে এখন ঔদ্যোগিক উদ্যান স্থাপনৰ পৰিকল্পনা লৈছে বুলি অৱগত কৰে। তদুপৰি অসমৰ প্ৰতিভাৱান আৰু দক্ষতাসম্পন্ন যুৱক-যুৱতীয়ে জাপানত কৰ্মচাৰীৰ চাহিদা পূৰণ কৰাত কেনেদৰে সহায় কৰিব এই বিষয়ে মুখ্যমন্ত্ৰীয়ে মন্ত্ৰীগৰাকীৰ সৈতে আলোচনা কৰে। এই আলোচনা কালত ভাৰত আৰু জাপানৰ মূল্যবোধ, ৰীতি-নীতি আৰু গৌতম বুদ্ধৰ আদৰ্শৰাজিয়ে কিদৰে দুয়ো দেশৰ মাজত আধ্যাত্মিক সেতু গঢ়ি তুলিছে সেই বিষয়সমূহে স্থান লাভ কৰে। ইয়াৰ আগেয়ে কালি মুখ্যমন্ত্ৰীগৰাকীয়ে টকিঅ'ত জাপানৰ কমেও ১৬০ গৰাকী বিশিষ্ট ব্যৱসায়ীক সাক্ষাৎ কৰি বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণলৈ তেওঁলোকক আমন্ত্ৰণ জনায়। সাক্ষাৎকালত অসমৰ অৰ্থনৈতিক সাফল্য আৰু ব্যৱসায়িক সূচলতাৰ বিষয়ে উল্লেখ কৰি ড° শৰ্মাই ভাৰত আৰু জাপানৰ মাজৰ অৰ্থনৈতিক সম্পৰ্কক নতুন শিখৰলৈ লৈ যোৱাৰ ক্ষেত্ৰত অসমৰ বৰ্ধিত ভূমিকাৰ ওপৰত আলোকপাত কৰে। তিনিদিনীয়া দক্ষিণ কোৰিয়া ভ্ৰমণসূচী সামৰি জাপানত উপস্থিত হোৱা মুখ্যমন্ত্ৰীগৰাকীয়ে কালি এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ বিস্তৃত প্ৰসাৰ আৰু এই পদক্ষেপত বহিঃৰাষ্ট্ৰৰ পৰা সহযোগিতা লাভৰ উদ্দেশ্যে জাপানৰ অৰ্থনীতি, বাণিজ্য আৰু উদ্যোগমন্ত্ৰী কোগা য়ুইচিৰোক সাক্ষাৎ কৰে।

০০০০০০

নেতাজী সুভাষ চন্দ্ৰ বসুৰ ১২৮ সংখ্যক জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি সমগ্ৰ দেশত আজি পৰাক্ৰম দিৱস পালন কৰা হৈছে। এই উপলক্ষে সাংস্কৃতিক মন্ত্ৰালয়ে নেতাজীৰ জন্মস্থান ওড়িশাৰ কটকত তিনিদিনীয়া উদযাপন সমাৰোহৰ আয়োজন কৰিছে। ওড়িশাৰ মুখ্যমন্ত্ৰী মোহন চৰণ মাঝিয়ে এই সমাৰোহ উদ্বোধন কৰিব।

অসমৰ বিভিন্ন স্থানতো নেতাজীক স্মৰণৰ বাবে কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই জন্মবাৰ্ষিকীত নেতাগৰাকীক স্মৰণ কৰি দিয়া এটা বাৰ্তাত নেতাজীৰ জীৱন আৰু আদৰ্শই প্ৰতিগৰাকী ভাৰতীয়ক ৰাষ্ট্ৰসেৱাত উৎসৰ্গিত হ'বলৈ অনুপ্ৰাণিত কৰে বুলি মন্তব্য কৰে। জাপান ভ্ৰমণৰত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে জাপানতে নেতাজীয়ে আজাদ-হিন্দ-ফৌজৰ বীজ ৰোপণ কৰিছিল। ব্ৰিটিছ্ শাসকৰ দমনকাৰী নীতিৰ সাহসেৰে প্ৰত্যুত্তৰ দিয়া নেতাজীৰ বীৰত্বক চিৰদিন ভাৰতবাসীয়ে স্মৰণ কৰিব বুলি তেওঁ উল্লেখ কৰে। জাপানত থকা ভাৰতীয় দুতাবাসত নেতাজীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱাৰ বাবে আয়োজিত এটা অনুষ্ঠানতো তেওঁ অংশ লয়।

সদৌ অসম নেতাজী সুভাষ চন্দ্ৰ বসু জয়ন্তী উদযাপন সমিতিয়ে আজি পল্টনবজাৰৰ নেতাজী চ'কত জয়ন্তী উদযাপন কৰিছে। ধুবুৰী জিলাৰ বিভিন্ন অনুষ্ঠান আৰু দল-সংগঠনেও দিনজোৰা নেতাজীৰ জন্মবাৰ্ষিকীৰ সৈতে সংগতি ৰাখি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিছে।

০০০০০০

কোকৰাঝাৰ নগৰৰ প্ৰগতি ভৱনত আজি ৰাজ্যৰ প্ৰাক্তন মন্ত্ৰী ৰূপনাথ ব্ৰহ্মাৰ ৫৮ সংখ্যক মৃত্যু বাৰ্ষিকী উপলক্ষে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ৰূপনাথ ব্ৰহ্ম স্মাৰক সমিতি আৰু কোকৰাঝাৰ বুনিয়াদী বড়ো সাহিত্য সভাৰ উদ্যোগত আয়োজিত এই অনুষ্ঠানত প্ৰয়াত ব্ৰহ্মৰ প্ৰতিমূৰ্তিত পুষ্পাৰ্ঘ্য তৰ্পন কৰাৰ লগতে এটা স্মাৰক বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত বড়ো জনগোষ্ঠীয় সংগঠনৰ ভালেসংখ্যক প্ৰতিনিধি আৰু স্থানীয় লোকসকলে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে ১৯০২ চনৰ ১৫ জুনত কোকৰাঝাৰত জন্মগ্ৰহণ কৰা প্ৰয়াত ব্ৰহ্ম বড়ো জনগোষ্ঠীক প্ৰতিনিধিত্ব কৰা ৰাজ্যখনৰ প্ৰথমগৰাকী মন্ত্ৰী আছিল। তেওঁ লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ নেতৃত্বাধীন মন্ত্ৰীসভাত ১৯৩৮ চনত বন আৰু পঞ্জীয়ন মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ১৯৬৭ চনত তেওঁ কোকৰাঝাৰৰ পৰা লোকসভালৈ নিৰ্বাচিত হৈছিল। ১৯৬৮ চনৰ আজিৰ দিনটোত দেহাৱসান ঘটা ব্ৰহ্মই সামাজিক, সাংস্কৃতিক তথা সাহিত্য ক্ষেত্ৰলৈ অনবদ্য বৰঙণি আগবঢ়াই গৈছে।

০০০০০০

চৰাইদেউ জিলাৰ দিচাংপানীত পাঁচ-দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত সোণাৰু কাঞ্চন কৃষ্ণচূড়া মহোৎসৱৰ কালি সামৰণি পৰে। কালি অন্তিম দিনাৰ কাৰ্যসূচীত বিশিষ্ট সংগীত শিল্পী, গীতিকাৰ ইবচন লাল বৰুৱাক সোণাৰু কাঞ্চন কৃষ্ণচূড়াৰ চিৰসেউজ বঁটা প্ৰদান কৰা হয়। সামৰণি অনুষ্ঠানত বলিউডৰ প্ৰখ্যাত কণ্ঠশিল্পী বিনোদ ৰাথোড় আৰু চান্দনী মুখাৰ্জীয়ে গীত পৰিবেশন কৰে। যোৱা ১৮ জানুৱাৰীৰ পৰা অনুষ্ঠিত এই মহোৎসৱত ৰাজ্যখনৰ কমেও ৫০ গৰাকী প্ৰতিষ্ঠিত শিল্পীয়ে সংগীত পৰিবেশন কৰে। উল্লেখযোগ্য যে প্ৰকৃতিপ্ৰেমী যুৱক অনুপ পাটকাইৰ নেতৃত্বত, শিল্পী সমাজ, সাংবাদিক তথা চৰাইদেউৰ একাংশ পৰিবেশ সচেতন নাগৰিকৰ উদ্যোগত ২০১৯ চনৰ পৰা সোণাৰু, কাঞ্চন আৰু কৃষ্ণচূড়াৰ পুলি ৰোপন আৰু প্ৰতিপালন কৰি থকা হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত প্ৰতিবছৰে এই অনুষ্ঠানৰ আয়োজন কৰা হয়।

০০০০০০

বাক্সা জিলাৰ ভাৰত-ভূটান সীমান্তৰ সুৱনখাটাত ৮ দিনীয়াকৈ অনুষ্ঠিত ত্ৰয়োদশ ভাৰত-ভূটান মৈত্ৰী মেলা আৰু ৭৩ সংখ্যক মাঘ মেলাৰ কাইলৈ সামৰণি পৰিব। মেলাৰ প্ৰতিটো দিনতে অগণন লোকৰ সমাগম হোৱা পৰিলক্ষিত হয়। বড়ো, ৰাভা, গোৰ্খা, চাওতালী, কোচ ৰাজবংশীকে ধৰি বিভিন্ন জনগোষ্ঠীৰ লোকে মেলাৰ সৈতে সংগতি ৰাখি আয়োজিত সাংস্কৃতিক অনুষ্ঠানত নৃত্যগীত পৰিবেশন কৰে।

০০০০০০

সমাপ্ত